**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-09-2024
**Time :** 1715 Hrs

***Assamese Evening Bulletin***

- - - - - - - - - - - - - - -

বিগত কেইবাদিনো ধৰি অব্যাহত থকা উৎকট গৰমৰ বাবে কামৰূপ মহানগৰ জিলাৰ সকলো চৰকাৰী আৰু বে-চৰকাৰী বিদ্যালয়সমূহ কাইলৈৰ পৰা ২৭ ছেপ্টেম্বৰলৈ বন্ধ ঘোষণা কৰা হৈছে। প্ৰচণ্ড গৰমৰ বাবে মহানগৰীৰ কেইবাখনো বিদ্যালয়ৰ মুৰব্বীয়ে ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্যৰ অৱনতি ঘটাৰ বিষয়ে অৱগত কৰাৰ পৰিপ্ৰেক্ষিতত জিলাখনৰ আয়ুক্তই এই নিৰ্দেশ জাৰি কৰিছে।

০০০০০০০০

মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম আঁচনিৰ বাবে বাছনি হোৱা হিতাধিকাৰীসকলক ৰাজ্যৰ বিভিন্ন অঞ্চলত প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। সেই অনুসৰি বজালীৰ ভট্টদেৱ বিশ্ববিদ্যালয়ত আজি অনুষ্ঠিত প্ৰশিক্ষণ শিবিৰত খাদ্য, ৰাজহুৱা বিতৰণ তথা গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস উপস্থিত থাকি হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে তেওঁলোকক দিহা-পৰামৰ্শ আগবঢ়ায়। মন্ত্ৰীগৰাকীয়ে লগতে হিতাধিকাৰীসকলক একোজন সফল উদ্যোগী হ'বলৈ শুভেচ্ছা জ্ঞাপন কৰে।

গোলঘাট জিলাতো নিৰ্বাচিত তথা পঞ্জীকৃত প্ৰাৰ্থীসকলক জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ, কৃষি বিষয়া কাৰ্যালয়ৰ সভাকক্ষ, জিলা পশুপালন তথা পশু চিকিৎসা বিষয়া কাৰ্যালয়, বোকাখাট মহকুমাৰ পশু চিকিৎসা বিজ্ঞান বিদ্যালয়ত প্ৰশিক্ষণ দিয়া হ'ব। এই উপলক্ষে ৰাজ্য চৰকাৰৰ কৃষি আৰু পশুপালন বিভাগৰ মন্ত্ৰী অতুল বৰাই বোকাখাট মহকুমাৰ পশু চিকিৎসা বিজ্ঞান বিদ্যালয়ত প্ৰশিক্ষণ শিবিৰৰ আনুষ্ঠানিকভাবে উদ্বোধন কৰে। ইপিনে, খুমতাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াই জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ সভাকক্ষত প্ৰশিক্ষণ শিবিৰ মুকলি কৰে। আজিৰে পৰা ২০ অক্টোবৰলৈকে চলিবলগীয়া এই প্ৰশিক্ষণ শিবিৰত জিলাখনৰ সৰ্বমুঠ এহেজাৰ প্ৰশিক্ষাৰ্থীক কৃষি, মীনপালন, পশুপালন, সেৱা তথা অনান্য খণ্ডত প্ৰশিক্ষণ দিয়া হ'ব।

০০০০০০০০

আধুনিক অসমীয়া সংগীতক অনন্য মাত্ৰা প্ৰদান কৰা প্ৰয়াত প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ কণ্ঠত গ্ৰামোফোন ৰেকৰ্ডত বাণীবদ্ধ হোৱা প্ৰথম অসমীয়া গীতৰ শতবাৰ্ষিকী অনুষ্ঠান অহা ২৭ ছেপ্তেম্বৰত গুৱাহাটীৰ দীঘলীপুখুৰীপাৰৰ অসম সাহিত্য সভাৰ লক্ষীৰাম বৰুৱা সদনত অনুষ্ঠিত হ'ব। শতবাৰ্ষিকী উদযাপন সমিতিয়ে সংবাদ মেল সম্বোধন কৰি এই সন্দৰ্ভত তথ্য প্ৰকাশ কৰে। আউনীআতী সত্ৰৰ সত্ৰাধিকাৰ পিতাম্বৰ দেৱগোস্বামীয়ে আনুষ্ঠানিকভাৱে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। উদ্বোধনী অনুষ্ঠানত প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ গীত পৰিৱেশনৰ লগতে গ্ৰামোফোন ৰেকৰ্ড আৰু ৰেকৰ্ডৰ কপি প্ৰদৰ্শন কৰা হ'ব। তদুপৰি শতবাৰ্ষিকী অনুষ্ঠানৰ সৈতে সংগতি ৰাখি তেজপুৰ, ডিব্ৰুগড়, উত্তৰ গুৱাহাটীকে ধৰি কেইবাটাও স্থানত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়।

০০০০০০০০

-        ট্ৰেডিঙৰ নামত প্ৰবঞ্চনাৰ গোচৰত জিংকি মিলিয়ে লাভ কৰা অন্তৰৰ্তীকালীন জামিন নাকচ কৰা বাবে ৰাজ্য চৰকাৰে দাখিল কৰা আবেদন সন্দৰ্ভত আজি গুৱাহাটী উচ্চ ন্যায়ালয়ত শুনানি অনুষ্ঠিত হয়। শুনানি কালত জিংকি মিলিৰ অধিবক্তাই চৰকাৰৰ আবেদনৰ বিপৰীতে উত্তৰ দিবলৈ সময় বিচাৰে। ইয়াৰ পিছতেই উচ্চ ন্যায়ালয়ে অহা ২৬ ছেপ্তেম্বৰত গোচৰটোৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰে। উল্লেখযোগ্য যে, জিংকি মিলিয়ে যোৱা ১৭ ছেপ্তেম্বৰত উচ্চ ন্যায়ালয়ৰ মজিয়াত ২৩ অক্টোবৰলৈ অন্তৰৰ্তীকালীন জামিন লাভ কৰিছিল। জামিন লাভ কৰাৰ পিছতে ৰাজ্য চৰকাৰে এগৰাকী অতিৰিক্ত লোক অধিবক্তাক পদৰ পৰা অপসৰণ কৰাৰ লগতে তিনি গৰাকী কৰ্মচাৰীক চাকৰিৰ পৰা নিলম্বন কৰে।

oooooooo

কাৰ্বি আংলং জিলা ধঁপাত নিয়ন্ত্ৰণ কোষৰ উদ্যোগত আজি ৰাষ্ট্ৰীয় ধঁপাত নিয়ন্ত্ৰণ কাৰ্যসূচীৰ অধীনত জিলা পৰ্যায়ৰ সমন্বয় সমিতিৰ সভা অনুষ্ঠিত হয়। এই উপলক্ষে বিভাগীয় সচিব ৰাজেচন টেৰাঙৰ  অধ্যক্ষতাত অনুষ্ঠিত সভাত তথ্য চিত্ৰৰ জৰিয়তে ধঁপাত সেৱনৰ অপকাৰিতা সম্পৰ্কে আলোকপাত কৰা হয়।  জিলা ধঁপাত নিয়ন্ত্ৰণ কোষৰ সমল ব্যক্তি এছ্ কে দাসে ধঁপাত আৰু চিগাৰেট সেৱনে শৰীৰত ক্ষতি আৰু বিপদৰ বিষয়ে উল্লেখ কৰি ৰাজ্যখনত প্ৰতিদিনে ৬লাখ ৫০ হাজাৰ গুটখা পেকেট বিক্ৰী হোৱা বুলি  তথ্য আগবঢ়ায়। তেওঁ লগতে ধঁপাত জাতীয় দ্ৰব্য সেৱনৰ পাছত দেশত প্ৰতিদিনে ১০ লাখ লোকৰ মৃত্যু হোৱাৰ লগতে ধঁপাত ব্যৱহাৰকাৰীসকলৰ ভিতৰৰে ৫০ শতাংশই কৰ্কট ৰোগত আক্ৰান্ত হয় বুলি প্ৰকাশ কৰে। জিলাখনত ধঁপাত মুক্ত গাওঁ আৰু ধঁপাত মুক্ত শিক্ষানুষ্ঠান গঢ় দিবলৈ শিক্ষক-শিক্ষয়িত্ৰী তথা দায়িত্বশীল লোকক তেওঁ আহ্বান জনায়।

oooooooo

চৰাইদেউ জিলাৰ নৱ নিযুক্ত জিলা আয়ুক্ত ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া নেহা যাদৱে আজি আনুষ্ঠানিকভাৱে তাৰ্যভাৰ গ্ৰহণ কৰি জিলাখনৰ ৰাজহ ব্যৱস্থপনা সম্পৰ্ক বুজ লয। আয়ুক্তগৰাকীয়ে চৰকাৰী কাম-কাজৰ সেৱা সমূহ নিৰ্ধাৰিত সময় সীমাৰ ভিতৰত সম্পন্ন কৰাৰ লগতে স্বচ্চতা বজাই ৰখাৰ পোষকতা কৰে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব।

oooooooo

সমাপ্ত